**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কালি দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি অসম সহ দেশৰ ২৫৯টা স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। ৰাজ্যখনৰ ৰাজধানী দিছপুৰ, গুৱাহাটীৰ বাকী অংশ, বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, তেজপুৰ, লখিমপুৰ, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিগবৈ, নাহৰকটীয়া, দুলীয়াজান, নাজিৰা, টিংখং, নামৰূপ, ৰঙিয়া, উত্তৰ লখিমপুৰ, বোকাখাট, নুমলীগড়, দৰং, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰকে ধৰি ৰাজ্যৰ ২০টা স্থানত মকড্ৰিল অনুষ্ঠিত হয়।

গুৱাহাটী মহানগৰৰ কাহিলীপাৰাত দশম আৰক্ষী বেটেলিয়ন চৌহদত আজি বিয়লি সতৰ্কতামূলক অনুশীলন সম্পন্ন হয়।

শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিৰ লগতে আন দুটা স্থানত আজি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়। এই অনুশীলনৰ জৰিয়তে জৰুৰীকালীন অৱস্থাত ৰাইজ কিদৰে সুৰক্ষিত হৈ থাকিব পাৰে সেই বিষয়ে প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি কালি গোলাঘাট জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভগৰ দ্বাৰা জিলাখনৰ বি এছ্ এন এলৰ কাৰ্যালয়ৰ প্ৰাঙ্গন আৰু নুমলীগড় শোধনাগাৰ লিমিটেড প্ৰাঙ্গনত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। সন্ধিয়া ৭ বজাৰ পৰা ৭ বাজি ১০ মিনিটলৈ জিলাখনত ব্লেক আউট বা নিষ্প্ৰদীপ অনুশীলন কৰা হয়।

যোৰহাট জিলাতো কালি বিয়লি ৪ বজাৰ পৰা মকড্ৰিল অনুষ্ঠিত হয়। জিলাখনত সন্ধিয়া ৭ বজাৰ পৰা ৭ বাজি ১০ মিনিটলৈ ব্লেকআউট অনুশীলন কৰা হয়।

ডিব্ৰুগড় নগৰৰ ক'ল ৰোডত এই সতৰ্কতামূলক অনুশীলন অনুষ্ঠিত হয়। এই অনুশীলনত অসম আৰক্ষী, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনীকে ধৰি বিভিন্ন বিভাগে জৰুৰীকালীন সময়ত সুৰক্ষাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

কামৰূপ, লখিমপুৰ আৰু কাৰ্বি আংলং জিলাতো কালি মকড্ৰিল অনুষ্ঠিত হয়।

এই অনুশীলনৰ সময়ছোৱাত বিমান আক্ৰমণৰ সময়ত ছাইৰেণ ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ নিষ্প্ৰদীপ বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা, আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত প্ৰশিক্ষণ দিয়া হ'য়।

০০০০০০

চৰকাৰে সিন্দূৰ অভিযান সন্দৰ্ভত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলৰ এই অভিযানৰ বিষয়ে অৱগত কৰিব। বিভিন্ন দলৰ নেতাই দলীয় স্বাৰ্থৰ উৰ্ধলৈ গৈ সিন্দূৰ অভিযানক প্ৰশংসা কৰিছে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীসমূহে গ্ৰহণ

কৰা ব্যৱস্থাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। বিৰোধী পক্ষই ইয়াৰ পূৰ্বে পেলেহগাম আক্ৰমণৰ পাছত চৰকাৰে গ্ৰহণ কৰা যিকোনো ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

০০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত প্ৰস্তাৱিত ন্যায়িক চৌহদৰ কাম-কাজৰ অগ্ৰগতিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা কালি এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত উচ্চ ন্যায়ালয়ৰ নতুন ভৱন, কাৰ্যালয় ভৱন, বাৰ কাউন্সিল ভৱন, ন্যায়াধীশসকলৰ আৱাস, বিষয়া-কৰ্মচাৰীসকলৰ বাসভৱন, বাট-পথ নিৰ্মাণ আদিকে ধৰি বিভিন্ন দিশত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকতে ডিব্ৰুগড়ত প্ৰস্তাৱিত অসম বিধানসভা ভৱন, বিধায়ক আৱাস আৰু নতুন আৱৰ্ত ভৱনৰ কামৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০

লখিমপুৰ জিলাত কালি বিয়লি অহা এজাক ধুমুহা বতাহে বিস্তৰ ক্ষতি সাধন কৰে। জিলাখনৰ নাওবৈচা, দলহাট তিনিআলি, লালুক, অসম-অৰুণাচল সীমান্তৱৰ্তী কাছজুলি, ঢেকীয়াজুলি, ফুলবাৰী আদি অঞ্চলৰ ৰাইজ ক্ষতিগ্ৰস্ত হয়। হঠাৎ অহা প্ৰচণ্ড ধুমুহাৰ ফলত বহু ঠাইত বিদ্যুতৰ খুঁটা উভালি পৰাৰ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দলহাট তিনিআলিত চলন্ত গাড়ী, মটৰচাইকেলৰ ওপৰত গছ বাগৰি পৰাৰ কথা পোহৰলৈ আহিছে। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱা নাই। ধুমুহাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰ যানজঁট সৃষ্টি হোৱা পৰিলক্ষিত হয়।

০০০০০০

বিশ্ব বৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰটো নামকৰণৰ দাবীত ডিব্ৰুগড় প্ৰেছ ক্লাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত দেশৰ পূব প্ৰান্তত থকা এই বিমান বন্দৰটো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰলৈ উন্নীত কৰাৰ লগতে বৰেণ্য শিল্পীগৰাকীৰ নামেৰে নামকৰণৰ দাবীত প্ৰেছক্লাবে জিলাখনৰ আয়ুক্তৰ জৰিয়তে স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰধানমন্ত্ৰীৰ লগতে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী, ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনলৈও এই পত্ৰ প্ৰেৰণ কৰা হৈছে। বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ নামেৰে বিমান বন্দৰটো নামকৰণৰ দ্বাৰা অসমৰ গৌৰৱ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা হ'ব বুলি প্ৰেছক্লাবে আশা প্ৰকাশ কৰিছে।

০০০০০০

অসমৰ জনঞ্জয়জ্যোতি হাজৰিকাই বিহাৰত চলি থকা সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দ্বিতীয়টো সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। অসমৰ প্ৰতিভাৱান সাঁতোৰবিদগৰাকীয়ে ল'ৰাৰ এশ মিটাৰ বাটাৰফ্লাই শিতানত সোণৰ পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে জনঞ্জয়ে ল'ৰাৰ ৫০ মিটাৰ বাটাৰফ্লাই শিতানত প্ৰথমটো সোণৰ পদক অৰ্জন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

ইপিনে টেবল টেনিছৰ ল'ৰাৰ একক শাখাত অসমৰ প্ৰিয়ানুজ ভট্টাচাৰ্য্যই কৰ্ণাটকৰ বৰুণ কাশ্যপক ৩-০ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

সমাপ্ত